# 2016

## ASSAMESE

## ( Elective )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়াঁ : ১×১০=১০

(ক) শংকৰদেৱে কেইখন নাট ৰচনা কৰিছিল ?

(খ) 'ৰামবিজয়' নাটখনৰ মূল আধাৰ গ্ৰন্থখনৰ নাম কি ?

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটখনৰ পটভূমি কি ?

(ঘ) 'ৰূপালীম' নাটখনৰ নাট্যকাৰজন কোন ?

(ঙ) 'মাদল' নাটখনত অসমৰ কোনটো জনগোষ্ঠীৰ কথা পোৱা যায় ?

(চ) 'মাদল' নাটখনত বৰ্ণিত জনগোষ্ঠীৰ লোকসকলক কি প্ৰথাৰে চাহাবসকলে অসমলৈ আনিছিল ?

(ছ) জগৰুৰ একমাত্ৰ ছোৱালীজনীৰ নাম কি আছিল ?

(জ) মুহিৰাম কোনখন নাটৰ পুৰুষ চৰিত্ৰ ?

(ঝ) 'হাতী আৰু ফান্দী' নাটখনৰ মূল পুৰুষ চৰিত্ৰ কোন ?

(ঞ) 'ৰূপালীম' নাটকৰ প্ৰতিবাদী নায়িকাগৰাকীৰ নাম কি ?

২। চমুকৈ উত্তৰ দিয়াঁ : ২×৫=১০

(ক) 'পহু' আৰু 'বৰনাৰী' মানে কাক বুজায় ?

(খ) 'অজগৱ' নামৰ ধনুখনৰ গৰাকী কোন আছিল আৰু এইখনক কোনে ভাঙিছিল ?

(গ) 'মুৰাৰি' মানে কাক বুজায় ? ই 'ৰামবিজয়' নাটখনত কি অৰ্থত ব্যৱহাৰ হৈছে ?

(ঘ) ইলাহী বকছ্ কোন আছিল ? তেওঁ লভিতাক কিয় আশ্ৰয় দিব লগা হৈছিল ?

(ঙ) প্ৰেমলাল আৰু বিক্ৰম কোন আছিল ? সিহঁতে কাৰ ঘৰত কাম কৰিছিল ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×৪=২০

(ক) "অয়ে দশৰথ! তুহু ৰামক চৰিত্ৰ কিছু জানয়ে নাহি।" বুলি কোনে, কাক আৰু কিয় কৈছিল, বুজাই লিখাঁ।

(খ) "হে স্বামী! তোহাৰ ধৰ্মক পুত্ৰ ভেলো। হামাক প্ৰাণ দান দেহ।" বুলি কোনে, কাক, কি প্ৰসংগত কৈছিল, চমুকৈ লিখাঁ।

(গ) “তই যে কহিছিলি? এই দেশটো আমাৰ নাছিল, চা-বাগানে কাম কৰাৰ বাবে চাহাবলোকে আমাৰ মানুহবোৰক আসাম দেশে আনিছিল?” বুলি কোনে, কাক প্ৰশ্ন কৰিছিল, চমুকৈ লিখাঁ।

(ঘ) “তুমি নক’বা, আজিৰ দিনৰ ডেকা বুলি, তোমাক নিজকে সেই বুলি ভুৱা নিদিবা।” এই কথাষাৰ কোনে, কাক আৰু কিয় কৈছিল?

(ঙ) “গোলামী বুলি ক’ব কেলেই? সেইবোৰ শব্দ শুনিলেই মোৰ বেয়া লাগে। নিজৰ ঘৰৰ মানুহ বুলি তোক জ্ঞান কৰোঁ, তই ক’ব গোলামী কৰা বুলি।” এই কথাখিনি কোনে, কাক, কি প্ৰসংগত কৈছিল?

৪। (ক) অংকীয়া নাটকত অসমৰ লোক-পৰিৱেশ্য কলাৰ কি কি উপাদান লক্ষ্য কৰা যায়, আলোচনা কৰাঁ। ১০

*অথবা*

(খ) ‘ৰামবিজয়’ নাটখনত প্ৰধানভাবে কি কি ৰসৰ সঞ্চাৰ ঘটিছে, আলোচনা কৰাঁ।

৫। (ক) ‘লভিতা’ নাটখনৰ প্ৰধান নাৰী চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১০

*অথবা*

(খ) ‘লভিতা’ নাটখনৰ মাজেৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ছবিখন কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

৬। (ক) 'মাদল' নাটখনৰ বিক্ৰম চৰিত্ৰটিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১০

*অথবা*

(খ) 'মাদল' নাটখনৰ মাজেৰে চাহ বাগানৰ শ্ৰমিকসকলৰ জীৱন-চৰ্যা কেনেদৰে ৰূপায়িত হৈছে, আলোচনা কৰাঁ।

৭। (ক) 'হাতী আৰু ফান্দী' নাটখনৰ মাজেৰে মহলদাৰসকলে ফান্দীসকলক শোষণ কৰাৰ ছবিখন কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১০

*অথবা*

(খ) মুহিৰামে হাতী ধৰিবলৈ গৈ কেনেদৰে মৃত্যুমুখত পৰিল, 'হাতী আৰু ফান্দী' নাটখনৰ আধাৰত আলোচনা কৰাঁ।

★★★